**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান।

২। ৰাজ্যৰ বিজেপি সাংসদসকলৰ নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ।

৩। ৰাজ্যৰ বিভিন্ন অংশত আজি কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ পূণ্য তিথি পালন।

আৰু

৪। ডিব্ৰুগড় জিলাৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াক ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ বাবে পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ।

~~0000000~~

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰে। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

0000000

———ৰাজ্যৰ অৰুণোদয় আঁচনি আৰু প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ হিতাধিকাৰীসকলে অহা মাহৰ পৰা ৩০০ টকাতে ৰন্ধন গেছৰ চিলিণ্ডাৰ লাভ কৰিব। এই হিতাধিকাৰীসকলে শীঘ্ৰেই ৰন্ধন গেছৰ চিলিণ্ডাৰত ২৫০ টকাকৈ ৰাজ সাহায্য অসম চৰকাৰৰ পৰা লাভ কৰিব। উল্লেখযোগ্য যে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰ বৰ্তমান একোটা পৰিয়ালে ৰাজ সাহায্যসহ ৮৫০ টকাত লাভ কৰে। প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত ৩০০ টকা হিতাধিকাৰীয়ে ৰাজ সাহায্য হিচাপে লাভ কৰে। ইয়াৰ ফলত একোটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৫৫০ টকা হয়। অহা জানুৱাৰীৰ পৰা হিতাধিকাৰীসকলক চৰকাৰে অতিৰিক্তকৈ ২৫০ টকা ৰাজ সাহায্য প্ৰদান কৰাৰ ফলত তেওঁলোকে ৩০০ টকাতে চিলিণ্ডাৰ লাভ কৰিব পাৰিব।

0000000

ৰাজ্যৰ বিভিন্ন অংশত আজি কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ পূণ্য তিথি পালন কৰা হৈছে।

MUSIC

পূণ্য তিথি উপলক্ষে শিল্পীগৰাকীক সুঁৱৰি ঠায়ে ঠায়ে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ পূণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ জগতখনক কামৰূপী লোকগীতে বিশেষভাৱে সমৃদ্ধ কৰিছে। শিল্পীগৰাকীৰ কণ্ঠৰ প্ৰতিটো লোকগীত অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ বুলি তেওঁ উল্লেখ কৰে। আজি লোকসংগীতৰ বৰেণ্য সাধকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰি নতুন প্ৰজন্মই তেওঁৰ গীতৰ চৰ্চা  অব্যাহত ৰাখি বিশ্বত এই গীতসমূহক জনপ্ৰিয় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কামৰূপী লোকগীতক নিজৰ অনন্য গায়ন শৈলীৰে দেশজুৰি জনপ্ৰিয় কৰা শিল্পীগৰাকীৰ গীতসমূহ আজিও শ্ৰোতাৰ বাবে সমানে প্ৰিয় হৈ আছে।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তইও পূণ্য তিথি উপলক্ষে কামৰূপী লোকগীতৰ সম্ৰাট গৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে কামৰূপী লোকগীতক বিশ্ব দৰবাৰত চিনাকি কৰি দিয়া ৰামেশ্বৰ পাঠকৰ অৱদান অতুলনীয়। সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীয়ে আগবঢ়াই থৈ যোৱা বৰেণ্য অৱদানে ৰাজ্যৰ সাংস্কৃতিক জগতখনক সদায় চহকী কৰি ৰাখিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

SONG

০০০০০০০

ৰে'ল মন্ত্ৰণালয়ে পশ্চিমবংগৰ নিউ কোচ বিহাৰৰ পৰা গোলকগঞ্জ আৰু গৌৰীপুৰ হৈ অভয়াপুৰীলৈ থকা ১৫২ দশমিক ৩ - ১ কিলোমিটাৰ ৰে'লপথৰ দ্বৈতকৰণৰ চূড়ান্ত জৰীপত অনুমোদন জনাইছে। প্ৰায়  তিনি কোটি ৬৫ লাখ টকা ব্যয়েৰে চলাবলগীয়া এই স্থানভিত্তিক জৰীপ শীঘ্ৰেই আৰম্ভ হ'ব। বৰ্তমান এশাৰীয়া লাইনযুক্ত এই পথটো দ্বৈত ৰে'লপথ হৈ উঠিলে পশ্চিম অসম আৰু উত্তৰ বংগৰ মাজত বিকল্প দ্বৈত ৰে'লপথ স্থাপন হ'ব। উল্লেখযোগ্য যে বঙাইগাঁৱৰ পৰা অভয়াপুৰী হৈ নৰনাৰায়ণ সেঁতুৰে কামাখ্যালৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেৰে দ্বৈত ৰে'লপথ আৰু বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ হৈছে। গোলকগঞ্জ-গৌৰীপুৰ হৈ কোচবিহাৰলৈকে আনটো দ্বৈত ৰে'লপথ সম্পূৰ্ণ হৈ উঠিলে অসমৰ সৈতে দেশৰ বাকী অংশৰ দ্ৰুত ৰে'লসেৱা সম্ভৱ হৈ উঠিব।

ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে চূড়ান্ত স্থানভিত্তিক জৰীপত প্ৰস্তাৱিত ৰে'লপথটো যাবলগীয়া অঞ্চলৰ ভূ-প্ৰাকৃতিক অৱস্থা, ভূমিৰ গুণাগুণ আদি পৰীক্ষা কৰাৰ লগতে সম্ভাব্য দলং আৰু সুৰংগসমূহৰ দৰে অভিযান্ত্ৰিক দিশসমূহ অধ্যয়ন কৰা হয়। এই জৰীপ সম্পূৰ্ণ হোৱাৰ পাছত ইয়াক ৰে'লৱে ব'ৰ্ড আৰু ৰে'ল মন্ত্ৰ্যালয়ৰ ওচৰত দাখিল কৰা হ'ব।

আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৱেই কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা বন্দে ভাৰত আৰু অমৃত ভাৰত এক্সপ্ৰেছৰ দৰে অত্যাধুনিক ৰে'লগাড়ীৰ চলাচলৰ সুবিধাৰ্থে দুটা নতুন পিট লাইন নিৰ্মাণ কৰিছে। শিলচৰ আৰু আগৰতলাৰ সাংসদ দুগৰাকীয়ে ইতিমধ্যে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি শিলচৰ হৈ গুৱাহাটী আৰু আগৰতলাৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে অনুৰোধ জনাইছে।

০০০০০০০

রাজ্যৰ বিজেপি সাংসদসকলে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত সাংসদসকলে প্ৰধানমন্ত্ৰীৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁলোকে লগতে অসমৰ শান্তি প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীগৰাকীৰ মাৰ্গ দৰ্শনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাৎকাৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে শ্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বৰ বাবে অসমে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ নতুন শিখৰত উপনীত হৈছে। তেওঁ লগতে অসমবাসীৰ প্ৰতি থকা আন্তৰিকতা, সদিচ্ছা আৰু বিকাশৰ অনিৰুদ্ধ যাত্ৰাৰ ক্ষেত্ৰত মাৰ্গ দৰ্শনৰ বাবে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জনায়।

০০০০০০০

ঘন কুঁৱলীৰ বাবে আজি পুৱাৰ ভাগত মাজুলীলৈ ফেৰী চলাচল ব্যাহত হয়। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। বতৰ মুকলি হোৱাৰ লগে লগে এই সেৱা মুকলি কৰা হ'ব পাৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি পুৱাৰ ভাগত মাজুলী অফলামুখৰ ফেৰী যাতায়াত বন্ধ ৰখা হয় বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰে। অৱশ্যে শেহতীয়া বাতৰি অনুসৰি এই সেৱা পুনৰ আৰম্ভ কৰা হয়।

বাইট

একেদৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰী সেৱাও কিছু সময়ৰ বাবে বন্ধ ৰাখিবলগীয়া হৈছিল যদিও কুঁৱলী আঁতৰি যোৱাৰ লগে লগে পুনৰ ফেৰী সেৱা আৰম্ভ কৰা হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত চৰাইদেউ জিলাৰ অৰ্থনৈতিক বিকাশ সম্পৰ্কত মাহমৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া উৎপল গগৈৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

কামৰূপ জিলাৰ চাংসাৰিৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ বজাৰ গৃহত আজি পুৱতি নিশা অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ফলত বজাৰখনৰ বহু সামগ্ৰী ভস্মীভূত হোৱা বুলি আমাৰ সংবাদ দাতাই জনাইছে। পাছত অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নিয়ন্ত্ৰণ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াক ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ বাবে পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত অহা ৬ ডিচেম্বৰত খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। প্ৰথমখন এদিনীয়াত ভাৰতে ১৭ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাটোত সম্প্ৰতি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি বিৰাট কোহলিৰ অনবদ্য শতকৰ সহায়ত ভাৰতে ৮টা উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ কৰিছিল। কুলদ্বীপ যাদৱে ৪টা উইকেট দখল কৰে। ৰাঁচীত অনুষ্ঠিত এই খেলতে ৰোহিত শৰ্মাই এদিনীয়া ক্ৰিকেটত শ্বাহিদ আফ্ৰিদীৰ ৩৫১টা ছিক্সাৰৰ অভিলেখ পাৰ কৰি শীৰ্ষস্থানলৈ অগ্ৰসৰ হয়।

0000000

**সমাপ্ত**